**ৰাজহুৱা জাননী**

**অসম ৰাজ্যিক জৈৱবৈচিত্ৰ্য পৰিষদ: গুৱাহাটী**

**অসমৰ "ভাবুকিগ্ৰস্ত প্ৰজাতি" সম্পৰ্কীয় জাননী**

জৈৱবৈচিত্ৰ্য আইন, ২০০২ (২০০৩ চনৰ ১৮)ৰ ৩৮ নং ধাৰাৰ দ্বাৰা প্ৰাপ্ত অধিকাৰ অনুসৰি, কেন্দ্ৰীয় চৰকাৰে, অসম চৰকাৰৰ সতে হোৱা আলোচনা মৰ্মে, নিম্নোক্ত উদ্ভিদ আৰু প্ৰাণী প্ৰজাতিসমূহক, সংৰক্ষণ হেতু অসমৰ ক্ষেত্ৰত 'ভাবুকিগ্ৰস্ত প্ৰজাতি' ৰূপে ঘোষণা কৰিছে:

| ক্ৰ. নং | প্ৰজাতিৰ নাম | ক্ৰ. নং | প্ৰজাতিৰ নাম |
|---|---|---|---|
| | **উদ্ভিদ** | | **প্ৰাণী** |
| ১ | *Magnolia cathcartii* (চঁপা গছ) | ১ | *Sarcogyps calvus* (ৰজা শগুণ) |
| ২ | *Magnolia griffithii (ক'লা চঁপা গছ)* | ২ | *Cnemaspis assamensis* (অসমীয়া দিবা জেঠী) |
| ৩ | *Magnolia mannii* (চঁপা গছ) | ৩ | *Gekko gecko* (কেকোঁ সাপ) |
| ৪ | *Mesua assamica* (চিয়া নাহৰ গছ) | ৪ | *Nilssonia nigricans* (বৰমূৰীয়া কাছ) |
| ৫ | *Paphiopedilum spicerianum (* কপৌ ফুল) | ৫ | *Chitra indica* (বাঘিয়া কাছ) |
| ৬ | *Vatica lanceaefolia* (ম'ৰশাল গছ) | ৬ | *Indotestudo elongata* (হালধীয়া কাছ) |
| ৭ | *Cycas pectinata* (নাগফণা) | ৭ | *Manouria emys* (পাহাৰী কাছ) |

***গেজেট অৱ ইণ্ডিয়াত প্ৰকাশিত জাননী আমাৰ ৱেবচাইট asbb.gov.in (হুৱাটছ নিউ বিভাগ)ৰ পৰা ডাউনলোড কৰিব পৰা যাব।***

সেয়েহে, এতিয়াৰ পৰা, অসম ৰাজ্যিক জৈৱবৈচিত্ৰ্য পৰিষদৰ আগতীয়া অনুমতি অবিহনে উপৰোক্ত তালিকাত সন্নিৱিষ্ট উদ্ভিদ আৰু প্ৰাণী প্ৰজাতিসমূহৰ সংগ্ৰহকাৰ্য্যক নিষিদ্ধ ঘোষণা কৰা হৈছে। এইক্ষেত্ৰত নিম্নোক্ত প্ৰয়োজনসমূহ সাপেক্ষেহে সংগ্ৰহৰ অনুমতি বিচাৰি আবেদন কৰিব পৰা যাব:

১. বৈজ্ঞানিক গৱেষণা;
২. বৈজ্ঞানিক তথা শৈক্ষিক প্ৰতিষ্ঠানৰ হাৰ্বেৰিয়াম আৰু সংগ্ৰহালয়;
৩. প্ৰজনন-বংশবৃদ্ধি
৪. অন্যান্য যিকোনো বৈজ্ঞানিক অধ্যয়ন

অনুমতিৰ আবেদনৰ বাবে প্ৰপত্ৰ-১ খন আমাৰ ৱেবচাইট asbb.gov.in ৰ পৰা ডাউনলোড কৰিব পৰা যাব।

ওপৰত উল্লেখিত প্ৰজাতিসমূহৰ সংগ্ৰহ বৰ্তমানে হাতত থকা যিকোনো ব্যক্তি/সংস্থা/প্ৰতিষ্ঠানে, ৩১ জানুৱাৰী, ২০১৯ৰ ভিতৰত নিজৰ হাতত থকা প্ৰজাতিৰ তথ্য, ৱেবচাইটত উপলব্ধ প্ৰপত্ৰ-২ (ক) যোগে ঘোষণা কৰিব লাগিব।

এই জাননীৰ বিধি অমান্য কৰা যিকোনো কাৰ্য্যক জৈৱবৈচিত্ৰ্য আইন ২০০২ৰ ৫৬ নং ধাৰা অনুসৰি শাস্তিযোগ্য বুলি বিবেচনা কৰা হ'ব।

(সদস্য সচিব, অসম ৰাজ্যিক জৈৱবৈচিত্ৰ্য পৰিষদ)